# অসম বিধান সভা
## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
## মঙ্গলবাৰ, ৭ জুলাই, ২০২৬

**মহিলা আৰু শিশু উন্নয়ন, পৰ্য্যটন, বিত্ত, পৰিবেশ ও বন, খনি আৰু খনিজাত দ্ৰব্য, জনস্বাস্থ্য কাৰিকৰী, পাৰ্বত্য অঞ্চল, বৰাক উপত্যকা উন্নয়ন, সামাজিক ন্যায় আৰু সৱলীকৰণ, ভূমি সংৰক্ষণ, সংখ্যালঘু কল্যাণ ও উন্নয়ন।**

---

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

*Sub.* : **Anganwadi Centres-reg**

Shri VIJAY KR. GUPTA :

51. Will the Minister of Women & Child Development Department be pleased to state :

(a) How many Anganwadi Centres in 36 No. Central Guwahati LAC, out of which how many AWC are running in Government land and how many AWC are running in rented or other wise condition ? Provide the details list in the floor of the Assembly ?

(b) Whether any AWC are remained sanctioning, but not yet started the work for Construction, submit the list so sanctioned AWC in the floor of the Assembly. Provide the list of AWCs, the construction of which had been completed during the year 2021 to 2026.

*বিষয় ঃ* বাজহ সংগ্ৰহ

শ্ৰীমতী দীপ্তিময়ী চৌধুৰী ঃ

৫২। মাননীয় খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) খনি আৰু খনিজাত বিভাগে ২০২১-২২, ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫, ২০২৫-২৬ বিত্তীয় বৰ্ষত কিমান ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে?

(খ) এই সময়ছোৱাত খাৰুৱা তেল আৰু কয়লাৰ পৰা কিমান ৰয়েল্টি লাভ কৰিছে? বিত্তীয় বৰ্ষ অনুযায়ী তথ্যসমূহ সদনত জনাব।

*Sub.* : **Details of the work during last five years.**

Shri RAJDEEP GOALA :

53. Will the Minister of Women & Child Development Department be pleased to state :

(a) How many number of Model Anganwadi Centres (MAWC) have been sanctioned in the Udharbond constituency during the last five years ?

(b) How many number of MAWCs have beeen completed and made functional ?

(c) How many number of MAWCs are currently under construction as well as the number of sanctioned MAWCs yet to be started ?

*বিষয় ঃ* **বিদেশী পৰ্য্যটকৰ সংখ্যা**

শ্ৰীভুপেন ৰয় ঃ

৫৪। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ চনৰ পৰা এতিয়ালৈকে ৰাজ্যত থকা ৰাষ্ট্ৰীয় অভয়াৰণ্য, অভয়াৰণ্য আৰু আন পৰ্য্যটনস্থলীলৈ আগমন ঘটা ঘৰুৱা আৰু বিদেশী পৰ্য্যটকৰ সংখ্যা কিমান? (ৰাষ্ট্ৰীয় অভয়াৰণ্য, অভয়াৰণ্য আৰু আন পৰ্য্যটনস্থলীলৈ আগমন ঘটা পৰ্য্যটকৰ সংখ্যা বছৰ অনুসৰি পৃথক পৃথককৈ তথ্য দাখিল কৰিব।)

(খ) ঘৰুৱা আৰু বিদেশী পৰ্য্যটকৰ পৰা কিমান ৰাজহ সংগ্ৰহ হ'ল? (ৰাষ্ট্ৰীয় অভয়াৰণ্য, অভয়াৰণ্য আৰু আন পৰ্য্যটনস্থলী অনুসৰি সংগৃহীত ৰাজহৰ তথ্য বছৰ ভিত্তিত তথ্য দাখিল কৰিব।)

(গ) পৰ্য্যটকক আকৰ্ষিত কৰিব পৰাকৈ বিভাগে এতিয়ালৈ কেনেধৰণৰ আঁচনি গ্ৰহণ কৰিছে আৰু এই আঁচনিসমূহৰ ভিতৰত এতিয়ালৈ কোনখন আঁচনি সফল হৈছে?

(ঘ) ৰাজ্যৰ পৰ্য্যটন উদ্যোগৰ সম্প্ৰসাৰণৰ বাবে ভৱিষ্যতে 'ব্ৰেণ্ড এম্বেছাদৰ'ৰ নিযুক্তিৰ পৰিকল্পনা আছে নেকি?

*বিষয় ঃ* **অংগনৱাড়ী কেন্দ্ৰ**

শ্ৰীহিমাংশু শেখৰ বৈশ্য ঃ

৫৫। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ৰাজ্যখনত জনসংখ্যা অনুসৰি পৰৱৰ্তী সময়ত অংগনৱাড়ী কেন্দ্ৰ বঢ়োৱাৰ চিন্তা কৰা হৈছে নেকি? তদুপৰি অংগনৱাড়ী ব্যৱস্থাটোৰ আৰু অধিক বিকাশৰ বাবে কিধৰণে পদক্ষেপ গ্ৰহণ কৰা হৈছে?

*Sub.* : **Model Anganwadi Centres**

M. BADRUDDIN AJMAL :

56. Will the Minister of Women & Child Development Department be pleased to state :

(a) How much budget has been granted for the department of Women and Child Development for last 5 years in Assam ? How much has been spent out of the proposed budget ? Please furnish in detail year-wise from 2021-2026.

(b) What are the Schemes implemented under the department and how many targeted beneficiaries have been covered in last 5 years ?

(c) How many Model Anganwadi Centres are there in Hojai district? Please provide list LAC wise.

(d) Will the Government upgrade remaining all Anganwadi Centres to Model Anganwadi Centre in Binnakandi LAC? If yes, by when? Please mention.

*বিষয় ঃ* পানী যোগান আঁচনি

মোঃ আশ্ৰাফুল ইছলাম শ্বেখ ঃ

৫৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

কোকৰাঝাৰ জিলাৰ লগতে পৰ্বতঝোৰা সমষ্টিত চৰকাৰে পানী যোগান আঁচনি ৰূপায়ণ কৰিছে আৰু কিমানখনি ৰূপায়ণ কৰিবলৈ বাকী আছে? তথ্য সহকাৰে সদনত দাখিল কৰিব।

যদি ৰূপায়ণ কৰা হোৱা নাই আৰু কিয় হোৱা নাই, তথ্য সহকাৰে জনাব।

*বিষয় ঃ* বিশুদ্ধ খোৱা পানী যোগান আঁচনি

শ্ৰীমতী বেবী বেগম ঃ

৫৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আৰ্চেনিক আৰু ফ্ল'ৰাইডযুক্ত পানীয়ে জনস্বাস্থ্যৰ প্ৰতি কঢ়িয়াই অনা ভাবুকি সম্পৰ্কে চৰকাৰ অৱগতনে? যদি হয়, এনে পানী সেৱনৰ ফলত কি কি ৰোগ হয়? (বিস্তৃত তথ্যসহ দিব।)

(খ) আৰ্চেনিক আৰু ফ্ল'ৰাইডযুক্ত পানীয়ে কঢ়িয়াই অনা ভাবুকিৰ পৰা জনগণক মুক্তি দিবলৈ খোৱা পানীৰ উৎসৰ পৰা সংগৃহীত পানী নিয়মিতভাৱে পৰীক্ষা কৰা হয় নে? যদি হয়, বিগত পাঁচ বছৰত ধুবুৰী জিলাৰ কিমানটা খোৱা পানীৰ উৎসৰ পৰা পানী সংগ্ৰহ কৰা হৈছে আৰু ইয়াৰে কিমানটা উৎসৰ পানীত আৰ্চেনিক আৰু ফ্ল'ৰাইড প্ৰভাৱ ধৰা পৰিছে? (বিস্তৃত তথ্যসহ দিব।)

(গ) ধুবুৰী বিধান সভা সমষ্টিত সৰ্বমুঠ কিমানখন গাঁও আছে আৰু ইয়াৰে কিমানখন গাঁৱত বিশুদ্ধ খোৱা পানী যোগান আঁচনি নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে? ইয়াৰে কিমানখন আঁচনিৰ পৰা দৈনিক খোৱা পানীৰ যোগান ধৰা হৈ আছে? (বিস্তৃত তথ্যসহ দিব।)

(ঘ) বিশুদ্ধ খোৱা পানী যোগান আঁচনি নিৰ্মাণ নোহোৱা গাঁওসমূহত কিমান দিনৰ ভিতৰত নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব? (বিস্তৃত তথ্যসহ দিব।)

(ঙ) বিশুদ্ধ খোৱা পানী যোগান আঁচনি নিৰ্মাণৰ পিছতো পানীৰ যোগান নোপোৱাৰ কাৰণ কি? ইয়াৰ প্ৰতিকাৰৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্যসহ দিব।)

*বিষয় ঃ* সংখ্যালঘু কল্যাণ আঁচনি

মোঃ নুৰুল হুদা ঃ

৫৯। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ জৰিয়তে অসমত কি কি আঁচনি গ্ৰহণ কৰা হৈছে? আঁচনিসমূহৰ নামৰ তালিকা সদনত দাখিল কৰিব।

(খ) কি নিয়মৰ মাজেৰে আঁচনিসমূহ প্ৰয়োগ কৰা হয়? জনাব।

(গ) নগাঁও জিলাৰ ৰূপহীহাট বিধান সভা সমষ্টি এলেকাত এই আঁচনিসমূহে ঠাই পাইছেনে? যদি পাইছে, হিতাধিকাৰী ও অনুষ্ঠান-প্ৰতিষ্ঠানৰ নামসহ সদনত দাখিল কৰিব।

*বিষয় ঃ* **বিশুদ্ধ খোৱাপানী যোগান আঁচনিৰ সমস্যা।**

শ্ৰীনুৰুল ইছলাম ঃ

৬০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ অন্তৰ্গত গাঁওসমূহৰ ভিতৰত কিমানখন গাঁৱত বিশুদ্ধ খোৱাপানী যোগান আঁচনিৰ নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ কৰা হৈছে? কিমানখন আঁচনিৰ নিৰ্মাণকাৰ্য্য এতিয়ালৈকে চলি আছে? গাঁও ভিত্তিক আঁচনিৰ তালিকা, নিৰ্মাণ সম্পূৰ্ণ হোৱা বৰ্ষ, আঁচনিৰ বৰ্তমান স্থিতি, গাঁওখনত থকা মুঠ পৰিয়ালৰ বিপৰীতে পানীৰ নল সংযোজিত পৰিয়ালৰ সংখ্যাসহ বিস্তৃত তথ্য দাখিল কৰিব।

(খ) যিসমূহ গাঁও তথা পৰিয়ালক এতিয়াও বিশুদ্ধ খোৱাপানী যোগান আঁচনিৰে সামৰি ল'ব পৰা নাই, সেইসমূহ গাঁও আৰু পৰিয়ালক সাঙুৰি ল'বলৈ কি কি কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰা হৈছে? বিস্তৃত তথ্য দাখিল কৰিব।

(গ) নিৰ্মাণ কাৰ্যত হোৱা অনিয়মৰ বাবে ইয়াৰে কোন কেইটা আঁচনি সম্প্ৰতি অচল হৈ আছে? তেনে আঁচনি নিৰ্মাণৰ সৈতে জড়িত ঠিকাদাৰী প্ৰতিষ্ঠান আৰু বিভাগীয় বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে কি ধৰণৰ কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্যসহ দিব।)

(ঘ) বিদ্যুতৰ মাচুল আদায় দিব নোৱাৰাৰ বাবে বহুতো খোৱাপানী যোগান আঁচনি অচল হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি হয়, বিদ্যুতৰ মাচুল সংক্ৰান্তীয় জটিলতা দূৰ কৰিবলৈ ৰাজ্যখনৰ প্ৰতিটো জল জীৱন আঁচনিৰ বিপৰীতে সৌৰ বিদ্যুৎ উৎপাদনৰ এক বিকল্প ব্যৱস্থা কৰিবলৈ চৰকাৰে উদ্যোগ গ্ৰহণ কৰিবনে? (বিস্তৃত তথ্যসহ দিব।)

*বিষয় ঃ* **অসমত বহিঃ সাহাৰ্য্যপ্ৰাপ্ত প্ৰকল্প (External Aided Project).**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৬১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কাম চলি থকা বহিঃ সাহাৰ্য্যপ্ৰাপ্ত প্ৰকল্পৰ বিষয়ে বিতংকৈ জনাব। এই প্ৰকল্প সমূহত কোনে কোনে কিমান পুঁজি যোগান ধৰিছে বিতংকৈ জনাব।

(খ) চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ সময়ছোৱাত অসমে কোনকেইটা আঁচনি বা প্ৰকল্পৰ বিপৰীতে কিমান বহিঃ সাহাৰ্য্য লাভ কৰিছে, কোন দেশ, সংস্থাৰ পৰা এই বিত্তীয় সহযোগিতা পাইছে সেই বিষয়ে বিতংকৈ জনাব।

(গ) অসমত এতিয়ালৈকে ৰূপায়ণ হোৱা বহিঃসাহাৰ্য্যপ্ৰাপ্ত প্ৰকল্পৰ খতিয়ান দাঙি ধৰিব। প্ৰতিটো প্ৰকল্পৰ বিপৰীতে কিমান ব্যয় হৈছে বিতংকৈ জনাব। ৰূপায়ণ হোৱা প্ৰকল্পৰ পুঁজি কি হিচাপে লাভ কৰিছে বিতংকৈ জনাব।

*বিষয় ঃ* **তেজপুৰ সমষ্টিৰ মাছমৰীয়া আৰু গো-পালক সকলৰ সন্দৰ্ভত।**

শ্ৰীপৃথ্বিৰাজ ৰাভা ঃ

৬২। মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তেজপুৰ সমষ্টিৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীত মাছ বেচি জীৱিকা নিৰ্বাহ কৰা দাঁতিকাষৰীয়া মাছমৰীয়াক মাছ মাৰিব বন্ধ কৰাতো সঁচা নে?

(খ) এনে মাছমৰীয়াক ব্ৰহ্মপুত্ৰত মাছ মাৰিব দিবৰ বাবে বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(গ) তেজপুৰ বিধান সভা সমষ্টিৰ অধীনত বন বিভাগৰ মাটিত কিমানটা গৰুখুঁটি আছে?

(ঘ) সেই গৰুখুঁটি সমূহত বন বিষয়া সকলে গো-পালক সকলক সঘনাই অত্যাচাৰ কৰি থকাটো চৰকাৰ জ্ঞাত নে?

(ঙ) যদি জ্ঞাত, সেয়া আইনগতভাৱে নিস্পত্তি কৰিবনে?

*বিষয় ঃ* **জাতিগত প্ৰমাণপত্ৰ সম্পৰ্কে**

ড° জয় প্ৰকাশ দাস ঃ

৬৩। মাননীয় সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত বহুলোকে অনুসূচিত জাতিৰ ভুৱা জাতিগত প্ৰমাণপত্ৰ এতিয়াও ব্যৱহাৰ কৰি থকাটো চৰকাৰ অৱগতনে? এই ভুৱা প্ৰমাণপত্ৰ ৰোধৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) অনুসূচিত জাতিৰ বাবে অসমত জাতিগতভাৱে জৰীপ কেতিয়া হ'ব? বিশদভাৱে জনাব।

(গ) অনুসূচিত জাতিৰ কল্যাণ নিগমৰ বৰ্তমানৰ স্থিতিৰ সম্পৰ্কে সবিশেষ জনাব। এই নিগমৰ জিলাভিত্তিক আৰু ৰাজ্যিক ভিত্তিক কৰ্মচাৰীৰ সংখ্যা কিমান? বিগত কিমান সময়ৰ পৰা এই নিগমত নতুন নিযুক্তি প্ৰক্ৰিয়া বন্ধ হৈ আছে? ভৱিষ্যতে নতুন নিযুক্তি প্ৰক্ৰিয়াৰ কিবা পৰিকল্পনা গ্ৰহণ কৰিব নেকি?

*বিষয় ঃ* **বন বিভাগ সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

৬৪। মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান বালিৰ মহল আছে? তালিকাসহ জনাব। বৰ্তমান গোৱালপাৰা জিলাত কিমানটা বালিৰ মহল চলি আছে আৰু কেইটা খাশ হৈ পৰি আছে? এই মহল কেইটা Area সহ তালিকা দিব।

(খ) এই বালি মহলৰ নামত অবৈধ বালি খননৰ ফলত দুধনৈ আৰু কৃষ্ণাই নদীত কিমান মানুহ মৃত্যু বৰণ কৰিছে? ইয়াৰে দেবাশীষ নাথ (১৫) আৰু দিপাংকৰ নাথ (১৫) উভয়েৰে পিতা-নিচি মোহন নাথ, টেঙাবাৰী, থানা-মৰনৈ, জিলা - গোৱালপাৰা, কৃষ্ণাই নদীত কেতিয়া আৰু কেনেকৈ মৃত্যুবৰণ কৰিছিল, Enquiry Report সহ জনাব। অবৈধ বালিখননৰ ফলত মৃত্যু হোৱা লোকসকলক চৰকাৰে কিবা ক্ষতি পূৰণ দিছে নেকি? যদি দিয়া নাই, কিয় আৰু যদি দিয়ে, কেতিয়া দিব? তথ্য সহকাৰে জনাব।

(গ) অসমত বগা বালি (Brahmaputra River Sand)ৰ মহল কিমান আছে? এই মহল সমূহ আবণ্টন দিয়াৰ কিবা Guideline আছে নেকি? যদি আছে কি কি? গোৱালপাৰা জিলাত কেইটা বগা বালিৰ মহল আছে? Area সহ তথ্য সহকাৰে তালিকাসহ জনাব।

(ঘ) অসমত শিলৰ কোৱাৰী (Stone Quarry) কিমানটা আছে? ইয়াৰে কিমানটা কাৰ্য্যক্ষম হৈ আছে আৰু কিমানটা কাৰ্য্যক্ষম হৈ থকা নাই? বাংলাদেশ চৰকাৰৰ লগত অসম (ভাৰত) চৰকাৰৰ ৰাক্ষসিনী কোৱাৰী কেইটা লৈ কিবা চুক্তি স্বাক্ষৰ হৈছিল নেকি? চুক্তিৰ কপিসহ (অসম আৰু বাংলাদেশ) তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **বেদখল মাটিৰ সন্দৰ্ভত**

শ্ৰীমতী দীপ্তিময়ী চৌধুৰী ঃ

৬৫। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ কোন কেইখন অভয়াৰণ্য, সংৰক্ষিত বনাঞ্চল বেদখলৰ কবলত পৰিছে আৰু বেদখলীকৃত মাটিৰ পৰিমাণ কিমান? (বনাঞ্চল অনুসৰি বেদখলকৃত মাটিৰ তথ্য দাখিল কৰিব।)

(খ) ৰাজ্য চৰকাৰে চলোৱা উচ্ছেদ অভিযানৰ দ্বাৰা কি কি অভয়াৰণ্য বনাঞ্চলৰ পৰা বেদখলীকৃত কিমান পৰিমাণৰ মাটি উদ্ধাৰ হ'ল? (পৃথক পৃথককৈ তথ্য দাখিল কৰিব।)

(গ) উচ্ছেদৰ পাছত মুক্ত হোৱা মাটিত পুনৰ বৃক্ষৰোপণৰ ব্যৱস্থা কৰা হৈছে নেকি? যদি হৈছে, ক'ত কিমান বৃক্ষৰোপণ কৰা হ'ল, তথ্য দিব।

*Sub.* : **Details about development of Khaspur.**

Shri RAJDEEP GOALA :

66. Will the Minister of Tourism Department be pleased to state :

(a) Whether the Government has any plan to develop Khaspur as a tourism spot ? If so what are the steps taken so far for preservation and promotion of its historical and cultural heritage ?

(b) Is there any amount of funds sanctioned and utilized for this purpose during the last three years and the proposed timeline or completion of tourism-related infrastructure and facilities in the area ?

*বিষয় ঃ* ছাত্ৰ বৃত্তি

শ্ৰীমহিবুৰ ৰহমান ঃ

৬৭। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বন্ধ হৈ থকা সংখ্যালঘু ছাত্ৰৰ কল্যাণৰ বাবে চৰকাৰে আগবঢ়োৱা ছাত্ৰ বৃত্তি ব্যৱস্থা পুনৰ আৰম্ভ কৰাৰ বাবে বিভাগে পৰিকল্পনা হাতত লৈছে নেকি?

(খ) ৰাজ্যৰ চৰ অঞ্চলত থকা মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে বিভাগে সম্প্ৰতি কি কি আঁচনি হাতত লৈছে?

(গ) চৰাঞ্চলত ড্ৰপ আউটৰ হাৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত বিভাগে লোৱা পদক্ষেপসমূহৰ শেহতীয়া স্থিতি কি?

*বিষয় ঃ* জল জীৱন আঁচনি সম্পৰ্কে

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৬৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে কিমানখন জল জীৱন আঁচনিৰ প্ৰকল্প নিৰ্মাণ কৰা হৈছে? সমষ্টি হিচাপে পৃথকে পৃথকে তালিকা দিব।

(খ) পাকা বেতবাৰী সমষ্টিত জল-জীৱন মিছনৰ অধীনত কিমানখন আঁচনিৰ নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ কৰা হৈছে? তালিকা দিব।

(গ) উক্ত সমষ্টিত নিৰ্মিত এই জল জীৱন আঁচনিৰ জৰিয়তে মুঠ কিমান মানুহ উপকৃত হৈছে? গাঁও হিচাপে তালিকা দিব।

(ঘ) পাকা বেতবাৰী সমষ্টিত জল জীৱন মিছন আঁচনি কি কাৰণত বন্ধ হৈ আছে? বন্ধ হৈ থকা আঁচনিসমূহ কেতিয়া কাৰ্য্যক্ষম কৰা হ'ব, জনাব।

(ঙ) জল জীৱন মিছন আঁচনিৰ অধীনত ঠিকাৰ কাম কৰা কোন কোন ঠিকাদাৰে কিমান ধন বিভাগৰ পৰা পাবলগীয়া আছে? তাৰ তালিকা দিব। এইসকল ঠিকাদাৰে কেতিয়া অনাদায় টকাসমূহ লাভ কৰিব সেই বিষয়ে জনাব।

(চ) জল জীৱন মিছন আঁচনিৰ অধীনত কৰ্মৰত জল মিত্ৰ সকলৰ চাকৰি নিয়মীয়া কেতিয়া কৰিব? বৰ্তমান জল মিত্ৰ সকলে চৰকাৰৰ পৰা কি কি সুবিধা লাভ কৰি আছে? জনাব।

*বিষয় ঃ* **পৰ্য্যটনস্থলী চিনাক্ত আৰু উন্নয়ন সন্দৰ্ভত**

শ্ৰীমেহবুব মোক্তাৰ ঃ

৬৯। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিৰ ঐতিহাসিক, সাংস্কৃতিক আৰু প্ৰাকৃতিক পৰ্য্যটনস্থলী সমূহৰ উন্নয়নৰ বাবে ২০২১ চনৰ পৰা বৰ্তমানলৈকে কিমান ধন আৱণ্টন আৰু ব্যয় কৰা হৈছে? সবিশেষ তথ্য জনাব।

(খ) ধিং সমষ্টিৰ সত্ৰসমূহত পৰ্য্যটক/অতিথিসকলৰ বাবে বিশ্ৰামস্থল, শৌচালয়, বিশুদ্ধ খোৱা পানী আদি মৌলিক আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

(গ) ধিং নগৰৰ মাজেৰে বৈ যোৱা তলি বিলক সৌন্দৰ্যবৰ্ধন কৰি পৰ্য্যটনস্থলীলৈ ৰূপান্তৰ কৰাৰ কোনো পৰিকল্পনা লৈছে নেকি? যদি লোৱা নাই, এইক্ষেত্ৰত কিবা পৰিকল্পনা কৰিছে নেকি?

*বিষয় ঃ* **DMFT আঁচনি সন্দৰ্ভত**

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ

৭০। মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান DMFTৰ অধীনত কোন কোন জিলাত কি কি আঁচনি গ্ৰহণ কৰা হৈছে?

(খ) জিলা ভিত্তিত অনুমোদিত আঁচনিৰ নাম, আৱণ্টিত ধনৰ পৰিমাণ, ভৌতিক আৰু বিত্তীয় অগ্ৰগতিসহ বিতং তথ্য সদনত দাখিল কৰিব।

*বিষয় ঃ* **এম এছ ডি পি ৰ আঁচনি**

শ্ৰীতাঞ্জিল হুছেইন ঃ

৭১। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এম এছ ডি পি ৰ আঁচনিৰ জৰিয়তে বিগত পাঁচ বছৰত অসমত কোন কোন ব্লকলৈ কিমান টকা আৱণ্টন দিয়া হৈছে? তাৰ ভিতৰত কোন কোন ব্লকত এতিয়ালৈকে কিমান টকা খৰছ কৰা হ'ল? বৰ্ষ ভিত্তিত তথ্য সদনৰ মেজত দিব।

(খ) নগাঁও জিলাৰ কোন কোন ব্লকৰ পৰা বিগত পাঁচ বছৰত কিমান টকাৰ আঁচনিৰ প্ৰস্তাৱ এম এছ ডি পি ৰ অধীনত প্ৰেৰণ কৰা হৈছিল আৰু তাৰ ভিতৰত কোন কোন আঁচনি অনুমোদিত হৈছে? (ব্লকসমূহৰ পৰা প্ৰেৰণ কৰা প্ৰস্তাৱৰ প্ৰতিলিপি, চৰকাৰে অনুমোদন কৰা আঁচনিসমূহৰ তালিকাৰ প্ৰতিলিপি সদনত দাখিল কৰিব।)

*Sub.* : **Anganwadi Centres in Sribhumi District.**

Shri AMINUR RASHID CHOUDHURY :

72. Will the Minister of Women and Child Development Department be pleased to state:

(a) How many posts of Anganwadi workers and helpers are lying vacant within Sribhumi district and since when are these posts vacant ?

(b) How many Anganwadi centres are outside new South Karimganj CDPO/Block and within Patharkandi CDPO ? Whether the Govt. will consider bringing the Anganwadi centre which are outside newly created South Karimganj development Block/CDPO for allotment of food SNP/HCM ?

(c) Please furnish the total numbers of allotment and quantum of SNP/HCM made to South Karimganj for the Anganwadi Centre under newly created South Karimganj block/CDPO South Karimganj and post of Patharkandi from 1st January to till date.

(d) Whether the Government is aware that those are serious maldistribution of such food stuff (mentioned about that is SNP/HCM) that is going on in South Karimganj CDPO ?

*বিষয় ঃ* **শ্ৰৱণ বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ শিক্ষা**

ডাঃ আছিফ মোঃ নাজাৰ ঃ

৭৩। মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ শ্ৰৱণ বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চতৰ মাধ্যমিক/স্নাতক/স্নাতকোত্তৰ শিক্ষা গ্ৰহণৰ সুবিধা কৰিবৰ বাবে সুকীয়া শিক্ষানুষ্ঠানৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবনে?

(খ) শ্ৰৱণ বাধাগ্ৰস্ত কিমান শিক্ষাৰ্থীয়ে বিগত সময়ত মেট্ৰিক উত্তীৰ্ণ হৈছে? তেওঁলোকৰ পৰৱৰ্তী শিক্ষাগ্ৰহণৰ বাবে ৰাজ্যত কি কি চৰকাৰী শিক্ষানুষ্ঠান আছে?

*বিষয় ঃ* **সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগ বৃত্তি (Scholarship) সম্পৰ্কে।**

শ্ৰীমজিবুৰ ৰহমান ঃ

৭৪। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সংখ্যালঘু কল্যাণ ও উন্নয়নৰ বাবে অসম চৰকাৰে সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ উন্নত পঢ়া-শুনাৰ বাবে কি কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে? সংখ্যালঘু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কিবা বিশেষ বৃত্তিৰ ব্যৱস্থা কৰিছে নেকি? ভাৰত চৰকাৰে প্ৰদান কৰা Pre Matric Minorities Scholarship ইতিমধ্যেই বন্ধ কৰিছে, ইয়াৰ কাৰণ কি? সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) যিসকল সংখ্যালঘু গুণী বা উৎকৃষ্ট (Meritorios) দুখীয়া ছাত্ৰ-ছাত্ৰী দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হৈছে তেনেধৰণৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ উন্নতমানৰ ক'চিং দিয়াৰ কিবা ব্যৱস্থা অসম চৰকাৰে বা সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগে কৰিছে নেকি? যদি কৰা নাই ভৱিষ্যতলৈ কিবা পৰিকল্পনা আছে নেকি? সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(গ) ২০২৫-২৬ বিত্তীয় বৰ্ষত ৫১ নং দলগাঁও বিধানসভা সমষ্টিত বিভাগৰ পৰা কিমান হিতাধীকাৰীয়ে Sewing Machine, Rickshaw, Hand Sprayer Machine, 3 Wheeler Pickup Van, 3 Wheeler Auto Rikshaw, Solar Home Light, Water Purifier আদি লাভ কৰিলে? হিতাধীকাৰীৰ নাম সহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **অংগনবাড়ী কেন্দ্ৰৰ সংখ্যা**

মোঃ নুৰুল ইছলাম ঃ

৭৫। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ কিমানখন অংগনবাড়ী কেন্দ্ৰ আছে? ইয়াত নিয়োজিত হৈ থকা কৰ্মী আৰু সহায়িকাৰ মুঠ সংখ্যা কিমান? ইয়াৰে কিমানখন আদৰ্শ অংগনবাড়ী কেন্দ্ৰ হিচাপে উন্নীত কৰা হৈছে? জিলাভিত্তিক বিস্তৃত তালিকা দাখিল কৰিব।

(খ) কিমানজন শিশু আৰু মাতৃৰ বিপৰীতে একোখনকৈ অংগনবাড়ী কেন্দ্ৰ আৰু আদৰ্শ অংগনবাড়ী কেন্দ্ৰ থাকিব লাগে? যিসমূহ গাঁও আৰু চুবাত পৰ্য্যাপ্ত শিশু আৰু মহিলা থকাৰ পিছতো এতিয়ালৈ অংগনবাড়ী কেন্দ্ৰ নাই, সেইসমূহ গাঁও অথবা চুবাত অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ ব্যৱস্থা কৰা হ'ব নে? (বিস্তৃত তথ্যসহ দিব।)

(গ) অংগনবাড়ী কেন্দ্রসমূহলৈ শিশু আৰু মাতৃৰ মঙ্গলৰ বাবে কি কি সামগ্ৰী, কি পৰিমাণে যোগান ধৰা হয়? এই যোগান নিয়মীয়া কৰাৰ ব্যৱস্থা নিশ্চিত কৰা হৈছে নে? (বিস্তৃত তালিকা দাখিল কৰিব।)

(ঘ) সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত এলেকাত সৰ্বমুঠ কিমানখন অংগনবাড়ী কেন্দ্ৰ আছে? কোনসমূহ গাঁও অথবা চুবাত এতিয়াও অংগনবাড়ী কেন্দ্ৰৰ প্ৰয়োজনীয়তা আছে? ইয়াৰ সবিশেষ তথ্য চৰকাৰৰ হাতত আছে নে? (বিস্তৃত তথ্য দাখিল কৰিব।)

(ঙ) অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলক কি কি দায়িত্ব ন্যস্ত কৰা হয়? তেওঁলোকৰ পাৰিতোষিক বৃদ্ধিৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'ব নে? (বিস্তৃত তথ্যসহ দাখিল কৰিব।)

*Sub.* : **Greater Algapur-Hailakandi water supply Scheme under JJM.**

Shri ZUBAIR ANAM MAZUMDER :

76. Will the Minister of Public Health Engineering Department be pleased to state :

(a) Whether villages and habitations mapped under the Greater Algapur-g Hailakandi Water Supply Scheme were excluded from coverage under the Jal Jeevan Mission (JJM) ?

(b) If so, the names & total number of such excluded habitations within the 122 Algapur-Katlicherra LAC, the administrative reasons for this exclusion, and the interim measures original to ensure drinking water access pending the main project's completion ?

(c) The total year-wise revenue collected from residents within the project area towards water tax, user charges, maintence fees, or beneficiary contributions since the scheme's initial sanction ?

(d) The legal authority under which these fees were collected, a village-wise breakdown of the collected funds, and the purpose-wise expenditure details of how these community collections were utilized ?

*Sub.* : **JJM scheme etc.**

Shri SHERMAN ALI AHMED :

77. Will the Minister of Public Health Engineering Department be pleased to state:

(a) What are JJM scheme completed in Mandia LAC ? Please furnish details in respect of cost, length of distribution line, no. FHTC, name of the contractor, financial progress for each project.

(b) Is it true that most of the JJM schemes are defunct ?

(c) Would the Government be pleased to make them functional early ?

(d) Is the Government aware that the iron-content in the water of village Tapajuli Pathar and Balikuri NC is very high and unfit for drinking ?

(e) In view of the above, would the Government be pleased to make the JJM scheme at Janata Bazar near Akhil Ghose house functional urgently and ensure connection of every household of the above two villages with FHTC ?

(f) Is it true that Kandapara PWSS is non-functional ab-initio? If yes, why? Please furnish name of contractor and up-to-date payment made to the contractor along with cost and physical progress of the project.

*বিষয় ঃ* **গ্ৰাম্য অসমৰ খোৱাপানী যোগানৰ সন্দৰ্ভত।**

শ্ৰীঅখিল গঁগৈ ঃ

৭৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১-২২ চনৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ ১২৬ টা সমষ্টিত 'জল জীৱন মিছন' (JJM) আৰু NABARD পুঁজিৰ অধীনত আৱণ্টিত আৰু প্ৰকৃততে ব্যয় হোৱা ধনৰ সমষ্টিভিত্তিক তালিকা প্ৰদান কৰিব। শাসকীয় আৰু বিৰোধী বিধায়কৰ সমষ্টিৰ মাজত এই আঁচনি অনুমোদনৰ বৈষম্যৰ শতকৰা হাৰ কিমান?

(খ) উক্ত ৫ বছৰত প্ৰতিটো সমষ্টিত 'কাৰ্যক্ষম ঘৰুৱা টেপ সংযোগ' (FHTC) ১০০% সম্পূৰ্ণ দেখুৱাই প্ৰমাণপত্ৰ (Completion Certificate) লোৱাৰ পাছতো বৰ্তমান ভৌতিকভাৱে (Physically) বিকল আৰু পানী যোগান বন্ধ হৈ থকা আঁচনিৰ সমষ্টিভিত্তিক প্ৰকৃত সংখ্যা কিমান? 'ফেক বিলিং' (Fake Billing) কৰা কিমানজন ঠিকাদাৰক ব্লেকলিষ্ট কৰা হৈছে?

(গ) চলিত ২০২৬ চনৰ জুন মাহলৈকে ১২৬ টা সমষ্টিৰ প্ৰতিটোত PHE বিভাগৰ পাইপ লাইন নথকা আৰ্চেনিক আৰু ফ্লোৰাইডযুক্ত অনাময় অঞ্চলসমূহৰ চৰকাৰী পৰিসংখ্যা কিমান? কাম সম্পূৰ্ণ কৰাৰ পাছতো জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ঠিকাদাৰসকলৰ সৰ্বমুঠ কিমান কোটি টকাৰ 'চুড়ান্ত বিল' (Final Bills Liability) বিভাগে পৰিশোধ নকৰাকৈ ৰাখিছে?

*বিষয় ঃ* **জল জীবন মিশ্যন প্রকল্প সম্পর্কে**

শ্ৰীআমিনুল হক লস্কর ঃ

৭৯। মাননীয় জনস্বাস্থ্য কারিগরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ২০২১ থেকে ২০২৬ পর্যন্ত ১১৯ নং সোনাই বিধানসভায় জল জীবন মিশ্যনের আওতায় সর্বমোট কতটি জল সরবরাহ প্রকল্প অনুমোদন পায় এবং কতটি বাস্তবায়িত হয়?

(খ) ২০২১ থেকে শুরু করে ২০২৬ পর্যন্ত ১১৯ নং সোনাই বিধানসভায় জল জীবন মিশ্যন প্রকল্পের আওতায় কতটি নতুন জল সরবরাহ প্রকল্প এবং কতটি পুরানো জল সরবরাহ প্রকল্পের আধুনিকীকরণ (Retrofication/Retrofitting) করা হয়েছে?

(গ) বর্তমানে সোনাই বিধানসভার কতটি জল সরবরাহ প্রকল্প কার্যকরী/কার্যক্রম আছে?

(ঘ) সবকটি জল সরবরাহ প্রকল্প থেকে কি জনগণ পানীয় জল পাচ্ছেন?

(ঙ) সোনাই বিধানসভায়স্থিত সর্বমোট জল সরবরাহ প্রকল্পের ঠিকাদারদের কাজের বিল/অর্থ প্রদান করা হয়েছে কি? প্রকল্পভিত্তিক প্রাপ্য বিলের সর্বশেষ ধাপ বা অবস্থা কি?

*বিষয় ঃ* **বরাক উপত্যকার ধামাইল নৃত্যের সম্পর্কিত।**

শ্ৰীকমলাক্ষ দে পুরকায়স্থ ঃ

৮০। মাননীয় বরাক উপত্যকা উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বরাক উপত্যকার বাংলাভাসির এক ঐতিহ্যপূর্ণ কলা ধামাইল নৃত্যকে জনসম্মুখে তুলিয়া ধরার জন্য কোনো Event করার

সরকারের কোনো পরিকল্পনা আছে কি? যদি থাকে তবে কবে এবং কোথায় হইবে তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(খ) যেহেতু ধামাইল নৃত্য বরাক উপত্যকার একটি প্রাচীন ও ঐতিহ্যবাহী নৃত্য। তাই ধামাইল নৃত্যের জন্য Workshop করার সরকারের কোনো পরিকল্পনা আছে কি? যদি থাকে তাহলে কবে নাগাদ করা হবে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

*বিষয় ঃ* অনুসূচিত জাতিৰ লোকসকলৰ প্ৰকৃত হিতাধীকাৰীৰ স্বাৰ্থ সুৰক্ষিত আৰু প্ৰমাণ-পত্ৰ প্ৰদান সন্দৰ্ভত।

শ্ৰীদীপক কুমাৰ দাস ঃ

৮১। মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) 'মিছন ভূমিপুত্ৰ' আঁচনিয়ে অনুসূচিত জাতিৰ লোকসকলৰ বাবে প্ৰমাণ পত্ৰ লাভৰ প্ৰক্ৰিয়া অধিক সহজ আৰু জনমুখী কৰি তুলিছে। এইক্ষেত্ৰত প্ৰকৃত হিতাধীকাৰীসকলৰ স্বাৰ্থ অধিক সুৰক্ষিত কৰাৰ বাবে চৰকাৰে কোনো উন্নত সত্যতা পৰীক্ষা বা পুনৰীক্ষণ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) যদিহে কৰিছে, তেন্তে কেনেধৰণৰ?

*বিষয় ঃ* সাহাৰ্য্য সম্পৰ্কে

শ্ৰীসুৰেণ ফুকন ঃ

৮২। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ডিগবৈ সমষ্টিৰ বিভিন্ন বনাঞ্চলৰ লগতে জনবসতি অঞ্চলতো বিগত বৰ্ষ সমূহত বনৰীয়া হাতীৰ আক্ৰমণত বহু কেইজন ব্যক্তিৰ মৃত্যু হোৱাৰ লগতে বহু লোক আহত হৈছে। ইয়াৰ উপৰিও ঘৰ-বাৰীৰ লগতে কৃষিক্ষেত্ৰৰো যথেষ্ট ক্ষয়-ক্ষতি হোৱা পৰিলক্ষিত হৈছে, বিভাগীয় ভাৱে এইক্ষেত্ৰত উপলব্ধ তথ্যসমূহৰ লগতে ক্ষতিগ্ৰস্ত সকলক দিয়া সাহাৰ্য্যৰ পৰিমাণৰ বিষয়ে বিতংকৈ জনাব।

*বিষয় ঃ* ভূমি সংৰক্ষণ সন্দৰ্ভত

শ্ৰীপৃথিৰাজ ৰাভা ঃ

৮৩। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তেজপুৰ বিধান সভা সমষ্টিৰ অধীনত ভূমি সংৰক্ষণ বিভাগত কিমান বিঘা মাটি আছে?

(খ) এই ভূমিত বিভাগৰ কি কি আঁচনি ব্যৱহৃত হৈ আছে?

(গ) বিভাগৰ অধীনত থকা মাটি কাৰোবাৰ দ্বাৰা বেদখল হৈ আছে নেকি?

(ঘ) যদি বেদখলত আছে, তেন্তে বেদখলমুক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে?

*Sub.* : **Jal Jeevan Mission (JJM)**

M. BADRUDDIN AJMAL :

84. Will the Minister of Public Health Engineering Department be pleased to state:

(a) How many schemes have been implemented in Assam under the Jal Jeevan Mission? Among them, how many are currently functional and how many are non-functional (defunct)?

(b) Till now, how many Jal Jeevan Mission schemes have been implemented in the Binnakandi constituency? Among them, how many

are functional and how many are non-functional? Has the Government taken any measures to make the non-functional schemes operational? Kindly inform by when this will be done.

*বিষয় ঃ* অনুসূচিত জাতিৰ উন্নয়ন সম্পৰ্কে

ড° জয় প্ৰকাশ দাস ঃ

৮৫। মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ১০ টা বছৰৰ কাৰ্য্যকালত অসম চৰকাৰে অনুসূচিত জাতিৰ কল্যাণৰ বাবে কিমান টকা আৱণ্টন দিলে আৰু কি কি শিতানত ইয়াক খৰছ কৰা হ'ল, তাৰ সবিশেষ তথ্য জনাব।

(খ) অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ জলপানিৰ ক্ষেত্ৰত বিগত দহ বছৰে কেন্দ্ৰ চৰকাৰে কিমান আৰু ৰাজ্য চৰকাৰে বছৰি কিমান ধন ব্যয় কৰিছে, সবিশেষ জনাব।

*বিষয় ঃ* অসমত হাতী-মানুহৰ সংঘাট, সংৰক্ষিত বনাঞ্চল, চোৰাং কাঠ ইত্যাদি।

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৮৬। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত হাতী-মানুহৰ সংঘাটৰ বাবে ২০১৬ ৰ পৰা এতিয়ালৈকে কিমান মানুহ বনৰীয়া হাতীৰ মৃত্যু (মৃত্যুৰ কাৰণ সহ) হ'ল? কিমান ঘৰ-বাৰী আৰু খেতি পথাৰ নষ্ট হ'ল তাৰ বিতং তথ্য (জিলা আৰু বৰ্ষ ভিত্তিক) দাখিল কৰিব। এই সমস্যা সমাধানৰ বাবে কি কি পদক্ষেপ লোৱা হৈছে জনাব।

(খ) অসমত বনাঞ্চল হ্ৰাস, বৃদ্ধি India State of Forest Report (ISFR) প্ৰতিবেদনৰ সন্দৰ্ভত কি কি তথ্য (২০১৬ চনৰ পৰা এতিয়ালৈকে) আছে বিতংকৈ জনাব।

(গ) অসমৰ কোন সংৰক্ষিত বনাঞ্চল, বন্যপ্ৰাণী অভয়াৰণ্য, ৰাষ্ট্ৰীয় উদ্যানত কিমান বেদখল হৈছে আৰু ২০১৬ চনৰ পৰা এতিয়ালৈকে উচ্ছেদ চলাই কিমান ভূমি বেদখলমুক্ত কৰা হ'ল আৰু উচ্ছেদ কৰা কিমান লোকক ক'ত কেনেদৰে সংস্থাপিত কৰা হ'ল তাৰ জিলা আৰু বৰ্ষভিত্তিক বিতংকৈ তথ্য দাখিল কৰিব।

(ঘ) উন্নয়নমূলক কামৰ বাবে যেতিয়া গছ কটা হয় তেতিয়া তাৰ বাবে কি কি নীতি লোৱা হয়? সেই নীতিৰ আধাৰত কি কি ব্যৱস্থা লোৱা হৈছে, গছৰ Translocation ক'ত, কেনেদৰে কাৰ্য্যকৰী কৰা হৈছে, কিমান গছ জীয়াই আছে আৰু ২০১৬ চনৰ পৰা অসমৰ প্ৰতিখন জিলাত কিমান গছ কটা হৈছে জনাব।

(ঙ) ২০১৬ ৰ পৰা এতিয়ালৈকে অসমৰ জিলা সমূহত কিমান কি গছৰ চোৰাং কাঠ জব্দ কৰা হৈছে ?. বিতংকৈ জনাব।

*বিষয় ঃ* জল জীৱন মিচন

মোঃ নুৰুল হুদা ঃ

৮৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত জল জীৱন মিচনৰ জৰিয়তে কিমান সংখ্যক বিশুদ্ধ খোৱাপানী যোগান আঁচনি গ্ৰহণ কৰা হৈছে? তাৰে কিমান সংখ্যক নিৰ্মাণ হৈছে, কিমান সংখ্যক আধৰুৱা হৈ আছে আৰু কিমান সংখ্যক নিৰ্মাণ বাকী আছে? সদনত জনাব।

(খ) ৰূপহীহাট বিধান সভা সমষ্টিত এই আঁচনিৰ সংখ্যা কিমান? তাৰে কিমান সম্পূৰ্ণ হৈছে আৰু কিমান অসম্পূৰ্ণ হৈ আছে? বৰ্তমানলৈ কিমান নিৰ্মাণ হ'বলৈ বাকী আছে বিতং তালিকাসহ সদনত দাখিল কৰিব।

(গ) ৰূপহীহাট বিধান সভা সমষ্টিত নিৰ্মাণ হোৱা আঁচনি সমূহৰ কিমান আঁচনিৰ জৰিয়তে বৰ্তমান বিশুদ্ধ খোৱাপানীৰ যোগান দিব পাৰিছে আৰু কিমানে পৰা নাই? বিতং ভাৱে আঁচনিৰ নাম-ঠিকনাসহ সদনত দাখিল কৰিব।

*বিষয়ঃ* সংখ্যালঘু উন্নয়ন ব'ৰ্ড সম্পৰ্কে

মোঃ আশ্ৰাফুল ইছলাম শেখ ঃ

৮৮। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৫ নং পৰ্বতঝোৱাৰ অসমৰ সংখ্যালঘু উন্নয়নৰ কাৰণে বিভাগীয় মন্ত্ৰীয়ে কিমানবোৰ আঁচনি ৰূপায়ণ কৰিছে আৰু কিমানখিনি ৰূপায়ণ কৰিবলৈ বাকী আছে আৰু ইমান দিনে কিয় আঁচনি সমূহ ৰূপায়ণ কৰা নহ'ল তথ্যসহকাৰে সদনত জনাব।

(খ) যদি ৰূপায়ণ কৰা নহয়, কিয় নহয় তথ্য সহকাৰে জনাব।

(গ) ২০২১ চনৰ পৰা ২০২৫ চনলৈকে সংখ্যালঘু উন্নয়ন ব'ৰ্ডক কিমান টকা ধাৰ্য্য কৰা হৈছে আৰু যদি পৰ্য্যাপ্ত পৰিমাণৰ পুঁজি দিয়া হোৱা নাই এটা গুৰুত্বপূৰ্ণ আৰু গধুৰ বিভাগক কিয় পৰ্য্যাপ্ত পুঁজি ধাৰ্য্য কৰা নহ'ল, তথ্য সহকাৰে সদনত জনাব।

*বিষয়ঃ* জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আঁচনি সম্পৰ্কে।

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

৮৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন জিলাত বৰ্তমান জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত থকা কিমানটা আঁচনি (PWSS) কাৰ্য্যক্ষম হৈ আছে আৰু কিমানটা বিকল হৈ আছে?

(খ) অসমত চলি থকা JJM Scheme ৰ কাম সমূহৰ কিমানটা সম্পূৰ্ণ হৈছে আৰু কিমান বাকী আছে, এই Scheme সমূহ কিমানটা Schemeৰ ঠিকাদাৰক Payment কৰা হৈছে আৰু কিমানটা বাকী আছে, বাকী থকা Payment (Bill) খিনি কিমান দিনৰ ভিতৰত বিভিন্ন ঠিকাদাৰ বা প্ৰতিষ্ঠানক আদায় দিব? তথ্যসহকাৰে জনাব।

(গ) গোৱালপাৰা পূব বিধান সভা সমষ্টিত JJMৰ অধীনত কেইটা আঁচনি মেৰামতি কৰা হৈছে, কেইটাৰ কাম চলি আছে, ইয়াৰে কোন কোন Scheme শেষ হৈছে আৰু কোন কোন Scheme কোন কোন ঠিকাদাৰক দিয়া হৈছে? ঠিকা দিয়া নিয়ম Guideline সহ তথ্য সহকাৰে জনাব।

(ঘ) JJMৰ অধীনত গোৱালপাৰা পূব সমষ্টিত নতুনকৈ কিমানটা Schemeৰ Proposal পঠোৱা হৈছে আৰু সেই Scheme সমূহ কেতিয়া Approval দিয়া হ'ব? তথ্য সহকাৰে জনাব।

(ঙ) বৰ্তমান অসমত কিমান শিক্ষানুষ্ঠান আৰু অঙ্গনৱাদী কেন্দ্ৰ JJMৰ অধীনত পানী যোগানৰ ব্যৱস্থা কৰা হৈছে আৰু কিমান বাকী আছে? বাকী থকা সমূহত কেতিয়া পানী যোগানৰ ব্যৱস্থা কৰিব? তথ্য সহকাৰে জনাব।

(চ) অসমত বিভিন্ন পানী যোগান আঁচনিৰ কিমানজন জলমিত্ৰ লোৱা হৈছে? এই জলমিত্ৰৰ মাহিলী দৰমহা কিমান দিয়া হয়? এই জলমিত্ৰ সমূহৰ চাকৰি স্থায়ীকৰণ কৰা হ'ব নেকি? যদি কৰে, কেতিয়া কৰিব আৰু যদি নকৰে, কিয়? তথ্য সহকাৰে জনাব।

*বিষয়ঃ* পৰ্য্যটন কেন্দ্ৰ সম্পৰ্কে

শ্ৰীহিমাংশু শেখৰ বৈশ্য ঃ

৯০। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিণ কামৰূপক পৰ্য্যটন কেন্দ্ৰ হিচাপে গঢ় দি স্থায়ীভাৱে সংস্থাপনৰ দিশটো টনকিয়াল হোৱাৰ লগতে চৰকাৰৰ ৰাজহ আয়তো অৰিহণা যোগাব পৰা যাবনে?

(খ) পলাশবাৰী সমষ্টিৰ প্ৰাকৃতিক আৰু ঐতিহ্য গৰকা সমল সমূহ বাছনি কৰি ৰাইজৰ দীৰ্ঘদিনীয়া দাবী অনুসৰি পৰ্য্যটনৰ দিশটো উন্নীত কৰিবলৈ কোনো পৰিকল্পনা গ্ৰহণ কৰা হৈছেনে?

*Sub.* : **Details of the sand mohals and stone quarries operated.**

Shri RAJDEEP GOALA :

91. Will the Minister of Environment and Forest Department be pleased to state :

(a) How many number of stone and sand quarry mohals/mining permits are operating in Cacher distirict and the boundaries of the Udharbond Constituency ?

(b) How much revenue has been collected by the Government from stone quarry, sand mohals, mining royalties, permit fees and stone crusher units in Udharbond Constituency during the last five financial years ?

*বিষয় ঃ* **অংগনবাড়ী কেন্দ্ৰ সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৯২। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পাকা বেতবাৰী সমষ্টিত থকা অংগনবাড়ী কেন্দ্ৰসমূহ কোন কোন প্ৰকল্পৰ অধীনত? তালিকা সহ জনাব।

(খ) পাকা বেতবাৰী সমষ্টিত থকা অংগনবাড়ী কেন্দ্ৰসমূহৰ নাম আৰু ইয়াত কৰ্মৰত কৰ্মী আৰু সহায়িকাসকলৰ তালিকা দিব।

(গ) অসমত এতিয়ালৈকে কিমানখন অংগনবাড়ী কেন্দ্ৰ আদৰ্শ কেন্দ্ৰ হিচাপে নিৰ্মাণ কৰা হৈছে? সমষ্টি হিচাপে জনাব।

(ঘ) পাকা বেতবাৰী সমষ্টিত মুঠ কিমানখন অংগনবাড়ী কেন্দ্ৰ আদৰ্শ কেন্দ্ৰ হিচাপে নিৰ্মাণ কৰা হৈছে? বাকী থকা কেন্দ্ৰসমূহ আদৰ্শ কেন্দ্ৰ হিচাপে কেতিয়া নিৰ্মাণ কৰিব জনাব।

(ঙ) অংগনবাড়ী কেন্দ্ৰসমূহত বৰ্তমান কি কি আঁচনি চলি আছে? তাৰ তালিকা দিব।

(চ) পাকা বেতবাৰী সমষ্টিৰ কোন কোন কেন্দ্ৰৰ পৰিচালনা কমিটীৰ ম্যাদ উকলি গৈছে? তাৰ তালিকা দিব। নতুন নিয়ম অনুসৰি কোন কেন্দ্ৰ এতিয়ালৈকে পৰিচালনা সমিতি গঠন হোৱা নাই তাৰ তালিকা দিব? কি কাৰণত পৰিচালনা সমিতি গঠন হোৱা নাই তাৰ কাৰণ উল্লেখ কৰিব।

(ছ) পাকা বেতবাৰী সমষ্টিত কোন কোন কেন্দ্ৰত কিমান হিতাধিকাৰী আছে তাৰ সংখ্যা উল্লেখ কৰি তালিকা দিব।

(জ) অংগনবাড়ী কৰ্মী আৰু সহায়িকা সকলৰ মাননী বৃদ্ধিৰ কিবা পদক্ষেপ বা পৰিকল্পনা আছে নেকি? যদি আছে, কৰ্মী আৰু সহায়িকা সকলৰ মাননী কিমান হ'ব আৰু কেতিয়া কাৰ্য্যকৰী কৰিব।

*বিষয় ঃ* **পৰ্য্যটনস্থলী চিনাক্ত আৰু উন্নয়ন সন্দৰ্ভত**

শ্ৰীমেহবুব মোক্তাৰ ঃ

৯৩। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিৰ কোন কোন স্থান Tourism Map ত অন্তৰ্ভুক্ত কৰা হৈছে জনাব।

(খ) ধিং সমষ্টিত Eco Tourism Developmentৰ বাবে কোনো DPR প্ৰস্তুত কৰা হৈছে নেকি?

(গ) ধিং সমষ্টিত Tourism Department ৰ নতুন কোনো প্ৰকল্প ২০২৬-২৭ বৰ্ষত ৰূপায়ণ কৰাৰ পৰিকল্পনা কৰিছে নেকি?

*বিষয় ঃ* **আদর্শ অংগণবাড়ী কেন্দ্র নির্মাণ**

শ্রীতাঞ্জিল হুছেইন ঃ

৯৪। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ কিমানটা আদর্শ অংগনবাড়ী কেন্দ্র নির্মাণৰ কাম হাতত লোৱা হৈছে? জিলা ভিত্তিত তালিকা দিব।

(খ) নগাঁও জিলাৰ অন্তর্গত শিশু উন্নয়ন প্রকল্প সমূহৰ অধীনত কোন কোন অংগনবাড়ী কেন্দ্রত আদর্শ অংগনবাড়ী কেন্দ্র গৃহৰ কাম মঞ্জুৰ কৰা হৈছে? কেন্দ্র সমূহৰ নাম তালিকা Physical আৰু Financial অগ্রগতি সহ সদনৰ মেজত দাখিল কৰিব।

*Sub.* : **Need for separate engineer in charge of Sribhumi District.**

Shri AMINUR RASHID CHOUDHURY :

95. Will the Minister of Soil Conservation Department be pleased to state :

a) Different schemes have been taken up in Sribhumi District under soil conservation from 2020-2021till date Name of schemes, amount sanctioned, achievement made may please be stated.

b) Whether the govt. will consider posting a higher offical in Sribhumi district for proper execution of Schemes as currently only one Engineer is in charge of the whole of Barak valley.

*বিষয় ঃ* **পুষ্টিকৰ খাদ্য যোগান ধৰাৰ সন্দৰ্ভত**

ডাঃ আছিফ মোঃ নাজাৰ ঃ

৯৬। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিভাগৰ অধীনত শিশু সকলৰ বাবে পুষ্টিকৰ খাদ্য যোগান ধৰাৰ কি কি আঁচনি আছে? এই আঁচনি অনুসৰি ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা কিমান শিশুক খাদ্য যোগান ধৰা হৈছে?

(খ) কোন কোন NGO বা প্রতিষ্ঠানক খাদ্য যোগানৰ ঠিকা প্রদান কৰা হৈছে আৰু তেওঁলোকৰ খাদ্য যোগান ধৰাৰ সময়সীমা কিমান? এই প্রতিষ্ঠান সমূহে কি কি খাদ্য আৰু কিমান সংখ্যক শিশুক প্রদান কৰিছিল? সমষ্টি ভিত্তিক তথ্য প্রদান কৰিব।

*বিষয় ঃ* **খনি আৰু খনিজাত বিষয় সম্পর্কে**

শ্ৰীমজিবুৰ ৰহমান ঃ

৯৭। মাননীয় খনি আৰু খনিজাত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্রত্যেকৰে আনুমানিক খৰচৰ সৈতে কামৰ তালিকা, প্রতিটো কামৰ অগ্রগতি, ব্যৱহৃত পৰিমাণ আৰু পি এম কে কে কে ৱাইৰ (PMKKKY) অধীনত ডি এম এফ টি (DMFT) পুঁজিৰ সৈতে নিষ্পাদনকাৰী সংস্থাক নিযুক্তি দিবলৈ অনুসৰণ পদ্ধতিৰ সৈতে নিষ্পাদানকাৰী সংস্থাৰ বিৱৰণ (সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব।)

(খ) অসম জিলা খনিজ ফাউণ্ডেশ্যন (ট্রাষ্ট) নিয়ম, ২০২০ (Assam District Mineral Foundation (Trust), 2020) অনুসৰি জিলা খনিজ ফাউণ্ডেশ্যনৰ শাসক পৰিষদে যথাযথভাৱে অনুমোদিত পৰিচালনা সমিতিৰ দ্বাৰা প্রস্তুত কৰা ন্যাসৰ বাৰ্ষিক পৰিকল্পনা আৰু বাৰ্ষিক বাজেট বিৱৰণ সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব।

(গ) অসম চৰকাৰে ২০১৫ চনৰ ১৬ ছেপ্টেম্বৰ তাৰিখে জিলা খনিজ ফাউণ্ডেশ্যন স্থাপনৰ সন্দৰ্ভত ভাৰত চৰকাৰ, খনি মন্ত্ৰালয়ৰ আদেশ মানি চলাৰ আৰ্থিক অনুমোদন কিমানখন জিলাই পাইছে? সবিশেষ মজিয়াত দাখিল কৰিব।

*Sub.* : **Greater Algapur-Hailakandi water supply scheme.**

Shri ZUBAIR ANAM MAZUMDER :

98. Will the Minister of Public Health Engineering Department be pleased to state :

(a) The orginal sanctioned cost of the Greater Algapur- Hailakandi Water Supply Scheme, details of subsequent cost revisions, and the year-wise funds released versus actual expenditures incurred since its commencement ?

(b) The names of the contractors, agencies, or firms entrusted with the execution of the scheme, along with their work order dates, orginal completion schdules, number of extensions granted, and details of penalties imposed for projects delays ?

(c) The current component-wise physical component-wise physical progress of the project, alongside the exact list of villages and habitations within the 122 Algapur-Katlicherra LAC covered under this scheme ?

(d) The names of the villages currently receiving regular piped drinking water supply, the names of those not recieving supply, and the definitive village-wise timeline for commissioning regular water delivery ?

*বিষয় ঃ* **১৮৮৬ চনত প্ৰতিষ্ঠিত বৰপেটা নগৰৰ ঐতিহ্যবাহী ব্যৱসায়িক কেন্দ্ৰৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণ, সৰ্থেবাৰী কাঁহ-পিতলৰ ঐতিহ্যবাহী কুটীৰ শিল্পৰ সংৰক্ষণ আৰু শিল্পীসকলৰ আৰ্থ-সামাজিক উন্নয়ন আৰু বৰপেটা সমষ্টিৰ বাবে CIDFৰ অধীনত প্ৰস্তাৱিত ধনৰাশি সন্দৰ্ভত।**

শ্ৰীদীপক কুমাৰ দাস ঃ

৯৯। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৮৮৬ চনত প্ৰতিষ্ঠিত বৰপেটা নগৰৰ ঐতিহ্যবাহী ব্যৱসায়িক কেন্দ্ৰটোৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণৰ বাবে চৰকাৰে কোনো বিশেষ আঁচনি গ্ৰহণ কৰিছে নেকি? যদিহে কৰিছে, কেনেকুৱা ধৰণৰ?

(খ) সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্পৰ সংৰক্ষণ আৰু শিল্পীসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে চৰকাৰে কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদিহে কৰিছে, জনাব।

(গ) বৰপেটা সমষ্টিৰ বাবে CIDF ৰ অধীনত পূৰ্বে প্ৰস্তাৱিত আৰু অনুমোদিত ধনৰাশি পুনৰ মোকলাই দিয়াৰ পৰিকল্পনা কৰিছে নেকি? জনাব।

(ঘ) পূৰ্বে এই শিতানত ১০০ (এশ) কোটি টকা ধাৰ্য্য কৰা আছিল। ইয়াৰ বিষয়ে জনাব।

*বিষয় ঃ* **সংখ্যালঘু কল্যাণ আঁচনিৰ ধন**

মোঃ নুৰুল ইছলাম ঃ

১০০। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ সংখ্যালঘু কল্যাণ আৰু উন্নয়ন

বিভাগলৈ সৰ্বমুঠ কিমান টকা আৱণ্টন দিয়া হৈছে? উক্ত ধনেৰে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? বৰ্ষভিত্তিত আৱণ্টিত ধনৰ পৰিমাণ, গ্ৰহণ কৰা আঁচনিৰ বৰ্ষভিত্তিক বিস্তৃত তথ্য দাখিল কৰিব।

(খ) উক্ত সময়ছোৱাত আৱণ্টিত ধনৰ কিমানখিনি ধন ব্যয় কৰা হৈছে? বৰ্ষভিত্তিত ব্যয় হোৱা ধনৰ বিস্তৃত তথ্য দাখিল কৰিব।

(গ) উক্ত আঁচনি সমূহ ৰূপায়ণৰ ফলত কিমান গৰাকী ব্যক্তি কি কি ধৰণে উপকৃত হৈছে? বৰ্ষভিত্তিত উপকৃত হোৱা লোকৰ ঠিকনাসহ সম্পূৰ্ণ তালিকা দাখিল কৰিব।

(ঘ) উক্ত আঁচনি সমূহ ৰূপায়ণৰ ক্ষেত্ৰত সকলো চৰকাৰী নীতি-নিয়ম পালন কৰা হৈছিল নে? যদি হৈছিল, ইয়াৰ বাবে জাৰি কৰা বিজ্ঞাপনৰ প্ৰতিলিপি, নিবিদা দাখিল আৰু অনুমোদনৰ বিস্তৃত তথ্য দাখিল কৰিব।

(ঙ) সংখ্যালঘু কল্যাণ আৰু উন্নয়ন আঁচনিৰ ধন বৃদ্ধি কৰি ইয়াৰ সঠিক ৰূপায়ণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'বনে? বিস্তৃত তথ্যসহ দিব।

---

Assam Government Press 137/26-LAQ-600-01-07-2026